بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ৯৫ জানুৱাৰীত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

আমি আহমদী সকলৰ ওপৰত আল্লাহ তায়লাৰ অশেষ কৃপা যে আমাৰ বেছি ভাগ সৰু ডাঙৰেই এই কথাটো বুজি পায় যে যদি ব্যাকুলহৈ বিনম্রভাৱে আল্লাহ তায়লাৰ ওচৰত পৰম আকৃতিৰে শীৰনত কৰা হয় আৰু তাৰ ওচৰত প্ৰাৰ্থনা কৰা হয় তেন্তে আল্লাহ তায়লা সেই দোৱা শুনি লয় আৰু মাজে সময়ে দোৱা কবুল হোৱাৰ এনে নিদৰ্শন কৰে, যিয়ে বেলেগক আশ্বৰ্য্য কৰি পেলায়।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) য়ে এবাৰ দোৱাৰ তত্ত্ব বিশ্লেষণ কৰোঁতে উল্লেখ কৰে যে, যেতিয়া কেচুৱাই ভোকত মাকৰ পিয়াহ খাবলৈ চিঞৰে, উচুপিবলৈ ধৰে তেতিয়া মাকৰ স্তনত গাখীৰৰ ধল পলস পৰাদি নামি আহে। কেচুৱায় দোৱাৰ নামেই নাজানে অথচ তাৰ উচুপনিয়ে কেনেদৰে (মাকৰ স্তনত) গাখীৰ টানি আনে। মাজে সময়ে দেখা যায় যে মাকে (স্তনত) গাখীৰৰ উমান কৰিব নোৱাৰে কিন্তু কেছুৱাৰ কান্দোনত গাখীৰ আপুনা আপুনিয়ে আহি যায়। তেন্তে কিয়, আমাৰ উচুপনিয়ে আল্লাহ তায়লাৰ পৰা একোৰে টানি আনিব নোৱাৰেনে ? নিশ্চয় পাৰে। কিন্তু চকুত নেদেখা অন্ধ যিজনে বেহুদা দাৰ্শনিক সাজি বহি আছে তেওঁ দেখিবলৈ নাপায়। তেখেত (আঃ) য়ে কৈছে যে, কেছুৱাৰ সৈতে যি সম্পৰ্ক, সেয়া যদি মানৱে মগজুত ৰাখি দোৱাৰ তত্ত্ব সম্পৰ্কে চিন্তা কৰে তেন্তে এয়া বুজিবলৈ অতি সহজ হৈ পৰিব।

আমি আহমদী সকলৰ ওপৰত আল্লাহ তায়লাৰ অশেয় কৃপা যে আমাৰ বেছিভাগ সৰু-ডাঙৰেই এই কথাটো বুজি পায় যে যদি ব্যাকুলহৈ বিনম্রভাৱে আল্লাহ তায়লাৰ ওচৰত পৰম আকুতিৰে শীৰণত কৰা হয় আৰু তাৰ ওচৰত প্ৰাৰ্থনা কৰা হয় তেন্তে আল্লাহ তায়লা সেই দোৱা শুনে আৰু মাজে সময়ে দোৱা কবুল হোৱাৰ এনে নিদৰ্শন প্ৰকাশ কৰে, যিয়ে বেলেগক আশ্বৰ্য্য কৰি পেলায়। কিছুমান এনেকুৱা ঘটনাৰ ৰিৰ্পোট মোলৈ আহে তাৰে কিছুমান এতিয়া মই আপোনালোকলৈ উল্লেখ কৰিবলৈ লৈছো।

নাজিৰ চাহাব দাওয়াত ইল্লাল্লাহ (কাদিয়ান) লিখিছে যে হুশিয়াৰপুৰ জিলাৰ আমিৰ চাহাবে কৈছে যে কেইবছৰ মান আগত তেখেতৰ গাওঁ খেৰা আচৰুৱালত বৰষুণ নোহোৱাৰ ফলত গঙ্গা ৰাইজেবৰ অথিৰ হৈ পৰিছিল। এনে অৱস্থা হৈছিল যে নাদৰ পানী একেবাৰে তললৈ গুচি গৈছিল। ইয়াৰে হিন্দু সম্প্ৰদায়ৰ লোক সকলে তাত থকা আমাৰ জমাতৰ মোৱাল্লিম চাহাবক উক্ত সংকট মোচনৰ বাবে দোৱা কৰিবলৈ খাটনি ধৰে। পূৰ পঞ্জাৱত মোৱাল্লিমক মিয়াজি বুলি কয়। তেওঁলোকৰ বিশ্বাস যে আহমদী মোৱাল্লিমক দোৱা কৰিবলৈ কলে নিশ্চয় বৰষুণ হব। যিয়েই নহওক আমাৰ মোৱাল্লিম চাহাবে তেওঁলোকক ইহুদী সম্প্ৰদায়ৰ নীতি নিয়ম শিকায় আৰু আল্লাহৰ গুণাৱলী সম্পৰ্কে কোৱাৰ পিছত দোৱা কৰায়। আল্লাহ তায়লা মোৱাল্লিম চাহাবৰ দোৱা কবুল কৰি লয় আৰু নিজৰ কৃপাৰে দুই তিনি ঘণ্টা পিছৰে পৰা বৰষুণ পৰিবলৈ আৰম্ভ কৰে আৰু আল্লাহ যে দোৱা শুনোতা তাৰ প্ৰমাণ দিয়ে। উক্ত ঘটনাত গঙ্গা ৰাইজে বাৰুকৈয়ে প্ৰভাৱিত হয় আৰু এক কণ্ঠে কবলৈ ধৰে যে আহমদি সকলৰ দোৱাৰ ফলত বৰষুণ হৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে কিছুমান ঠাইত বৰষুণ হোৱা আকৌ কিছুমান বৰষুণ বন্ধ হোৱাটো আল্লাহ তায়লাৰ সহায় আৰু দোৱা কবুলিয়তৰ এটা নিদৰ্শন হৈ পৰে। অমুছলমান সকলে ইছলাম গ্ৰহন কৰক বা নকৰক কিন্তু তেওঁলোকে এয়া বিশ্বাস কৰে যে ইছলামৰ খোদা দোৱা শুনোতা খোদা।

গিনিবছাত্তৰ এজন মোৱাল্লিম আব্দুল্লাহ চাহাবে কয় যে মই ছিনছাঙকাঙ্গছা গাৱলৈ তবলিগৰ উদ্দেশ্যে গৈ মানুহক জমা

কৰি তেওঁলোকক জমাত আহমদীয়াৰ পয়গাম (বাৰ্তা) দিওঁ। তেওঁলোকক তবলিগ কৰি থকা অৱস্থাতেই প্ৰবল বেগেৰে বৰষুণ পৰিবলৈ ধৰিলে। বৰষুণৰ শব্দত মানুহে মোৰ কথা শুনিবলৈ নোপোৱা হ'ল। তেতিয়া মোৰ ধাৰণা হ'ল যে মানুহ এতিয়া গুচি যাব। মই তেতিয়া দোৱা কৰিব ধৰিলো যে হে, আল্লাহ এই বৰষুণও তোমাৰ আৰু যি বাৰ্তা মই মানুহক শুনাই আছো, সেয়াও তোমাৰেই কিন্তু বৰষুণৰ কাৰণে মানুহে তোমাৰ এই বাৰ্তা শুনিবলৈ পোৱা নাই। লোক গুচি যাব যেন পাইছো। যিয়েই নহওক দোৱা কৰা সময়খিণিতেই আল্লাহ তায়লা বৰষুণ বন্ধ কৰি দিলে। তেওঁ কয় যে তাত উপস্থিত থকা প্ৰায় ডেৰ শ লোক, আলহামদু লিল্লাহ তবলিগৰ পিছত বয়াত কৰাৰ তৌফিক লাভ কৰে।

ইয়াত দোৱাৰ সৈতে বৰষূণ পৰা বন্ধ হোৱাত মোৱাল্লিম চাহাবৰ ঈমান আৰু প্ৰগাঢ় হৈ পৰে আনফালে উপস্থিত লোক সকলক দোৱা শুনোতা খোদা তায়লাক দেখুৱায়। মানুহে কয় যে খোদাক কেনেকৈ দেখিবলৈ পোৱা যায়, খোদা তায়লা এনেদৰেই নিজৰ কুদৰত প্ৰকাশ কৰি নিজকে দেখুৱায়। তাত থকা লোক সকলে বৰষুণৰ বাবে গুচি যাবলৈ লৈছিল, তেওঁলোকে আল্লাহৰ কৃপা দেখি কেৱল বহি নাছিল বৰং আহমদীয়ত আৰু প্ৰকৃত ইছলাম গ্ৰহন কৰিছিল।

হুযুৰ আনোৱাৰ (আইঃ) যে কয় যে, এতিয়া মই দোৱা কবুলিয়তৰ অন্যান্য কিছুমান ঘটনা উল্লেখ কৰিম। আমাৰ খোদা কেৱল বতৰৰেই খোদা নহয় বৰং সৰ্ব ক্ষমতাৰ অধিকাৰী আৰু সকলো দোৱা শুনোতা খোদা, তাৰ অসংখ্য গুণাৱলী আছে যাৰ বহিঃপ্ৰকাশ তেওঁ ঘটায়।

বেনিনৰ এজন মোৱাল্লিম মতিন চাহাবে কয় যে কেইদিনমান আগত এজন নমোবাইন বন্ধু মোক তাৰ ঘৰলৈ যাবলৈ মাতি, কয় যে মোৰ পত্নী বৰ সংকটাপন্ন অৱস্থা। মোৱাল্লিম চাহাবে কয় যে মই মোৰ পত্নীক লগত লৈ মানুহজনৰ ঘৰলৈ যাওঁ কাৰণ তাৰ পত্নীৰ সন্তান প্ৰসৱৰ সময় উপস্থিত আৰু শৰীৰত জ্বৰ উঠিছিল। সেই জ্বৰ আৰু প্ৰসৱ দুৱাৰ মুকলি নোহোৱাৰ কাৰণে সন্তান হ'ব পৰা নাই। তেওঁ কবলৈ ধৰিলে যে আগতেও দুবাৰ এনেকুৱা হৈছে তাত সন্তান বচালে মাক নাবাচে আকৌ মাকক বচাবলৈ হলে সন্তানৰ মৃত্যু, সেয়ে দুয়োবাৰ মাকক বচাবলৈ চেষ্টা কৰা হৈছে। এই বাৰ আকৌ তৃতীয়বাৰজ অৱস্থা হৈছে। মোৱাল্লিম চাহাবে কয় যে সেই অৱস্থাত মই ঔষধ দি দোৱা কৰিব ধৰিলো। মই আল্লাহ তায়লাৰ পৱিত্ৰ নামৰ আৰু ৰছুলুল্লাহ (ছাঃ) ৰ নামৰ দোহাই দি দোৱা কৰিবলৈ ধৰিলো আৰু দোৱাৰ শেষত ছুৰা ফাতিহা পাঠ কৰি পানীত ফোক দি সেই মহিলাজনীক পান কৰিব দিলো। তিনিবাৰ এনে দৰে পানী ফোক দি পান কৰোৱাৰ পিছত পতি গৰাকীয়ে আনন্দেৰে আহি জনায় যে আল্লাহ তায়লা মোৰ পত্নীক নিৰাময় কৰিছে আৰু পুত্ৰ সন্তান দান কৰিছে। এই ঘটনাৰ পৰা নমোৱাইন জনৰ ঈমান আল্লাহ তায়লাৰ প্ৰতি আৰু দোৱা কবুলিয়তৰ প্ৰতি বৃদ্ধি পায়। তেতিয়াৰে পৰা তেওঁ পৰম আকৃতিৰে বিনম্ৰভাৱে দোৱা কৰিবলৈ আৰম্ভ কৰিছে।

আকৌ ভাৰতৰ কৰ্ণাটক ৰাজ্যৰ জিলা আমিৰ চাহাবে লিখিছে যে ইয়াৰে এখন জমাতৰ সদৰ চাহাবৰ ব্ৰেইন টিউমাৰ হোৱাত চিকিৎসালয়ত ভৰ্ত্তি হয়। চিকিৎস্যকে জনায় যে ইয়াৰ চিকিৎসা সম্ভৱ নহয় এনেকি অপাৰেচন কৰাৰ সময়ত মৃত্যু হ'ব পাৰে। তেওঁ তৎক্ষনাত মোলৈ দোৱাৰ বাবে লিখি পঠায়। মই উত্তৰ দিওঁ যে আল্লাহ তায়লা আপোনাক আৰোগ্য কৰক। কয় যে একমাহ পিছত আকৌ ডাক্তৰে তেওঁক পৰীক্ষা-নীৰিক্ষা কৰি আচৰিত হৈ পৰে যে ব্ৰেইন টিউমাৰৰ কোনো নাম চিহ্নই নাই। এয়া একমাত্ৰ আল্লাহ তায়লাৰ কৰুণা আৰু দোৱাৰ ফল যে হোচেন চাহাব পূৰ্ণ আৰোগ্য লাভ কৰে।

গিনি কিনাকৰিৰ মোৱাল্লিগ ইনচাৰ্জ চাহাবে লিখিছে যে এজন নমোবাইন ডেকা চোলেমান চাহাবে ইচ্ছা প্ৰকাশ কৰে যে তেওঁ ওয়াকফে কৰি জমাতৰ খিদমত কৰিব বিচাৰে। গতিকে মই তেওঁক ছেৰালিউন জামিয়া আহমদীয়াত ভৰ্ত্তি হবলৈ পৰামৰ্শ দিওঁ। মই তেওঁৰ মাক দেউতাকক (যি সকলে আহমদী নহয়) মিচন হাউচলৈ মাতি আনো যাতে সিঁহতৰ ফালৰ পৰা এই বিষয়ে সন্মতি লোৱা যায়। সিঁহতে বৰ আনন্দিত হয় আৰু সকলো জানি বুজি, দুদিন পিছলৈ আকৌ অহাৰ কথা কৈ ওভতি যায়। যিয়েই নহওঁক ওভতি গৈ সিহঁতে নিজৰ মৌলবীৰ সৈতে কথাটো আলোচনা কৰি আমাৰ বিৰুদ্ধে পুলিচত এটা গোচৰ ৰুচ কৰে যে জমাত আহমদীয়া এটা অমুছলিম আৰু উগ্ৰবাদী জমাত আৰু এওঁলোকে আমাৰ লৰাক উচটনি দি উগ্ৰপন্থী বনাই আছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এই বিষয়ে মোলৈ দোৱাৰ বাবে লিখিছিল আৰু মই তেওঁলোকক উত্তৰ দিছিলো, আল্লাহ তায়লা দয়া কৰক, চেষ্টা আৰু দোৱা কৰি থাকক। যিয়েই নহওঁক পুলিচ আহি বিষয়টো অনুসন্ধান কৰি চায় আৰু জমাতৰ পৰিচয় পুলিচক দিয়া হয়, লিফলেটচ দিয়া হয়। তেতিয়া আল্লাহৰ কৃপাত পুলিচ কমিচনাৰ চাহাবে সেই কেচ

বাতিল কৰি দিয়ে আৰু কয় যে এওঁলোকে বৰ্ণণা কৰা ইছলাম মোৰ ওচৰত বেছি শুদ্ধ আৰু শান্তি পূৰ্ণ যেন লাগিছে। কমিচনাৰ চাহাবে কয় যে মোক জমাতৰ বিষয়ে আৰু বেছিকৈ জানিবলৈ সুবিধা দিয়াত মই এই জমাতত চামিল হ'ব বিচাৰোঁ। আল্লাহ তায়লা কেনেকৈ আহমদী সকলৰ দোৱা কবুল কৰাৰ জৰিয়তে দৃঢ় ঈমান আৰু খিলাফতৰ ওপৰত পূৰ্ণ বিশ্বাস অটুট ৰাখে সেই বিষয়ে এটা ঘটনাৰ উল্লেখ কৰিছো। মালিৰ ইদ্ৰিছ তৰাবেৰ চাহাবে কয় যে ২০০৮ চনত মই খিলাফত জুবিলিৰ জলছাত অংশ লবলৈ ঘানালৈ গৈছিলো। মোৰ মূৰ্গীৰ ব্যাৱসায় আছিল তত্ত্বাৱধানৰ অভাৱত সকলো মূৰ্গী মৰি গৈছিল। তেতিয়া যিজন মানুহৰ অধীনত মই এই ব্যাৱসায় কৰি আছিলো তেওঁ যেতিয়া গম পায় যে মই আহমদী আৰু আহমদী সকলৰ জলছাত গৈছো আৰু সকলো মূৰ্গী মৰি গৈছে তেতিয়া তেওঁ বিৰুধ কৰি মই ঘুৰি অহাৰ লগে-লগে খবৰ দিয়ে যে এক সপ্তাহৰ ভিতৰত তেওঁৰ পাওনা টকা মই পৰিশোধ কৰিব লাগে। অৰ্থাৎ তেওঁ মোৰ ওচৰত এক লাখ পঞ্চাছ হাজাৰ ফ্ৰাঞ্চ চফিয়া পাবলৈ আছিল সেয়া ঘুৰাই দিব লাগে। মই বৰ চিন্তাত পৰি গলো কাৰণ মোৰ ওচৰত টকা নাই। এই বিৰুধীজনে কিজানি মোক অপমান কৰিব পাৰে। গোটেই ৰাতি মই দোৱা কৰিলো যে হে আল্লাহ মোক ইয়াৰ কোনো এটা ব্যাৱস্থা কৰি দিয়া। মইতো খলিফাৰ চেনেহত জলছাত চামিল হবলৈ গৈছিলো। তেওঁ কয় যে মোক সপোনত দেখালে যে এখন ট্ৰাকৰ পৰা অলপ শস্য পৰি গৈছে মই সেয়া চপাই আছো। ৰাতিপুৱা মই যেতিয়া সেই ঠাইত যাওঁ তেতিয়া তাত কোনো ট্ৰাক নাই কিন্তু শস্যবোৰ পৰি আছিল। মই সেইবোৰ চপাওঁতে হঠাৎএখন কলা প্লাষ্টিকৰ থৈলা পালো। থৈলা খন খুলি দেখিলো যে তাত এক লাখ আশী হাজাৰ ফ্ৰাঞ্চ চফিয়া আছে। মই সেই ঠাইৰ লোকক সুধিলো, তেওঁলোকে কলে যে ইয়াতে ৰাতি এখন ট্ৰাক থিয় হৈ আছিল যিটো পিছত ছেনিগালৰ ফালে গুচি গৈছে। মই লোকক কলো যে ইয়াতে এই টকা (চফিয়া) খিনি মই পাইছো যদি এয়া কোনোবাৰ হয় তেন্তে কৈ মেলি লৈ যাওঁক কিন্তু সেয়া নিবলৈ কোনেও নাহিল। যিয়েই নহওঁক যেতিয়া সেই মহাজন আহি মোৰ সৈতে বেয়া আচৰণ আৰু কথা বতৰা কব ধৰিলে তেতিয়া মই তেওঁক কলো যে ধৈৰ্য্য ধৰা মই তোমাৰ ঋণ পৰিশোধ কৰি দিছো, আল্লাহ তায়লা মোক ব্যৱস্থা কৰি দিছে আৰু লগে লগে মই তাৰ ঋণ পৰিশোধ কৰি দিওঁ। লগতে কয় যে কেইটা বছৰ পাৰ হৈ গ'ল কিন্তু সেই টকাৰ কোনো মালিক ওলাই নাহিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে আল্লাহ তায়লাৰ বিদানত দোৱা কবুল হোৱাৰ বহুতো দৃষ্টান্ত ৰৈ আছে। সেই বিধান অনুসৰি প্ৰত্যেক যুগত খোদা তায়লা জীৱন্ত উপমা প্ৰেৰণ কৰিছে। গতিকে যদি দোৱা কবুলৰ জীৱন্ত উপমাৰ অংশীদাৰ হবলৈ আছে তেন্তে কিছুমান চৰ্ত আছে সেই বোৰ পালন কৰা অতি আৱশ্যকীয়। দোৱাৰ প্ৰথম চৰ্ত হ'ল নেক আমল আৰু বিশ্বাসৰ জন্ম দিয়া। যিজনে নিজৰ বিশ্বাস পৰিশুদ্ধ নকৰে আৰু নেক আমলৰ সৈতে কাম নকৰে আৰু তাৰ উৎকৰ্ষ সাধন নকৰে কিন্তু দোৱা কৰে, তেওঁ যেনিবা খোদা তায়লাক পৰীক্ষা হে কৰে। গতিকে য'ত ঈমান দৃঢ় কৰাৰ প্ৰয়োজন আছে তাত আমলৰ অৱস্থাও খোদা তায়লাৰ সন্তুষ্টি মূখী আৰু তাৰ নিৰ্দেশ অনুযায়ী চলোৱাৰ প্ৰয়োজন আছে। এনেকুৱা নহয় যে আল্লাহৰ নিৰ্দেশ অনুযায়ী নমাজত মনযোগ নিদিওঁ, বুনীয়াদি হ'ক আদায় নকৰো, কিন্তু যেতিয়া সমস্যাত নিপতিত হওঁ তেতিয়া আল্লাহ তায়লালৈ মনত পৰে, লোকৰ হ'ক আদায় কৰাৰ কথা মনত পৰে। প্ৰথমে নিজৰ অৱস্থা শুদ্ধ কৰিব লাগিব কেৱল ভৰষা, বিশ্বাসৰ অৱস্থা উন্নতি কৰিলে কাম সম্পূৰ্ণ নহয় যেতিয়ালৈকে আমল নেক নহয়। নেক আমল হ'ল সেয়া যে আল্লাহৰ হ'ক আৰু তাৰ সৃষ্টি জীৱৰ হ'ক আদায় কৰা। এনেকুৱা হলেহে আল্লাহ তায়লা তাৰ দোৱা শুনিব। আল্লাহ আমাক তাৰ অনুযায়ী জীৱণ যাপন কৰাৰ তৌফিক দান কৰক আৰু ইবাদত লগতে দোৱাৰ হ'ক আদায় কৰাৰ তৌফিক দান কৰক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজৰ পিছত দুটা জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। প্ৰথম জানাজা হ'ল মকৰৰম চৌধুৰী নিয়ামত উল্লাহ ছাহি চাহাবৰ তেওঁ ১৫ জানুৱাৰী ২০১৮ চনত কানাডাত মৃত্যুবৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলাহি ৰাজিউন। তেখেতৰ বংশত আহমদীয়ত হাচিন বিবি চাহিবাৰ মাতৃ হজৰত চৌধৰী জাফৰ উল্লাহ খান চাহাবৰ জৰিয়তে আহিছিল। তেখেতে কাদিয়ানত গৈ বয়াত কৰিছিল। মৰহুম নিয়ামত উল্লাহ চাহাব আমিৰ জিলা হায়দৰাবাদ, নাজিম আনছাৰউল্লাহ, কায়েদ খোদ্দামুল আহমদীয়া নাজিম জায়দাদ সদৰ আঞ্জুমান আহমদীয়া ৰাবোৱা হিচাপে জমাতৰ খিদমত কৰিছিল। তাহাজ্জুদ গুজাৰ আছিল। নিয়মিত ভাৱে নমাজ বাজমাত আদায়কাৰী আছিল তেখেত। দোৱাৰ ওপৰত তেখেতৰ অগাধ বিশ্বাস আছিল। তেখেত বৰ ধৈৰ্য্যশীল বিনম্ৰচেতা বিনয়ী লোক আছিল। ভাল দৰমহাত চাকৰি কৰিছিল, মিতব্যয়ী

আছিল। টেক্সটাইল ইণ্ডাষ্ট্ৰিত বৰ জনাজাত আছিল তেখেত। তেখেতৰ ল'ৰা-ছোৱালীক সদায় খলিফা ওয়াক্তলৈ চিঠি লিখাৰ শিক্ষা দিছিল। মৃত্যু সময়ত তেখেত ইহঁসংসাৰত তিনিজনী জীয়েক দুজন পুতেক এৰি থৈ যায়। আল্লাহৰ কৃপাত তেখেতে মুচিও আছিল। আল্লাহ্ তায়লা মৰহুমৰ মৰ্যদা উন্নীত কৰক। তেখেতৰ সতি-সন্তানক নেকি জাৰি ৰখাৰ তৌফিক দান কৰক।

দ্বিতীয় জানাজা হ'ল জাফৰ উল্লাহ খান বেঢ় চাহাবৰ ১৯ জানুৱাৰী ২০১৮ চনত কৰতো-শিখুপুৰাত মৃত্যুবৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলাহি ৰাজিউন। তেখেত জন্মগত আহমদী আছিল। তেখেতৰ পিতৃ চৌধুৰি আল্লাবত্তা চাহাব ১৯২৮ চনত আহমদীয়ত গ্ৰহন কৰিছিল। বেঢ় চাহাব জমাত কৰতো জিলা শিখুপুৰাত সদৰ জমাত হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। পাঁচ ওয়াক্ত নমাজী আৰু তাহাজ্জুদ গুজাৰ আছিল। নিয়মিত খোতবা জুমা শুনিছিল, নিয়মিত চান্দা আদায়কাৰী আছিল। অতি সাধাৰণ আৰু সৰল প্ৰকৃতিৰ লোক আছিল। মৰহুম মৃত্যু কালত ইহলোকত তিনিজনী জীয়েক আৰু তিনিজন পুত্ৰ সন্তান এৰি থৈ যায়। আল্লাহ্ তায়লা তেখেতৰ নেকিৰ সুতি তেখেতৰ সন্তানৰ মাজত বিৰাজিত ৰাখক। যি আশাৰে মৰহুম নিজৰ পুত্ৰক ওয়াকফে কৰিছিল আল্লাহ্ তায়লা তাৰ পুত্ৰক ওয়াকফেৰ দায়িত্ব যৰ্থাথ ভাৱে পালন কৰাৰ তৌফিক দান কৰক। আল্লাহ্ তায়লা মৰহুমৰ মৰ্যদা উন্নীত কৰক। ক্ষমা আৰু দয়াৰে আবৃত কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 26 January 2018**

## BOOK POST (PRINTED MATTER)

**To**

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**